# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 07-12-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::**

সশস্ত্ৰ বাহিনীৰ পতাকা দিৱস উপলক্ষে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেনা বাহিনীৰ লোকসকলৰ ত্যাগ, সাহস আৰু দৃঢ়তাক অভিবাদন জনায়। তেওঁ কয়, যে সেনা জোৱানসকলৰ সাহস আৰু ত্যাগে দেশৰ প্ৰতিগৰাকী নাগৰিকক স্বদেশৰ প্ৰতি দায়িত্বশীল হবলৈ শিকোৱাৰ লগতে প্ৰেৰণা যোগায়। এই দিৱস উপলক্ষে তেওঁ সশস্ত্ৰ বাহিনীৰ পতাকা নিধিলৈ বৰঙণি আগবঢ়াবলৈ দেশৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। গুৱাহাটীৰ ৰাজভৱনতো আজি এই দিৱস উপলক্ষে কাৰ্যসূচী গ্ৰহণ কৰা হয়। ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যৰ উপস্থিতিত অনুষ্ঠিত এই দিৱসত সশস্ত্ৰ বাহিনীৰ জোৱান, প্ৰাক্তন সেনা বিষয়া তথা জোৱান আৰু দেশৰ বাবে আত্মবলিদান দিয়া জোৱানসকলৰ পৰিয়ালৰ সদস্যক সন্মানিত কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপাল শ্ৰীআচাৰ্যই শ্বহিদসকলৰ পৰিয়ালবৰ্গ তথা প্ৰাক্তন সেনা বিষয়াসকলৰ ত্যাগক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত অংশ হিচাপে ৰাজ্যপালগৰাকীয়ে ৰাজ্যখনৰ প্ৰাক্তন সৈনিকসকলৰ কল্যাণ আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত সৈনিক কল্যাণ সঞ্চালকালয়ে কাৰ্যকলাপ সম্পৰ্কত আলোকপাত কৰা এখন দেৱাল আৰু এখন টেবুল কেলেণ্ডাৰ মুকলি কৰে। অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসো উপস্থিত থাকে।

০০০

গুৱাহাটী মহানগৰীৰ সমীপৰ সোণাপুৰৰ আমপ্ৰীভেলীত আজিৰে পৰা দুদিনীয়াকৈ কমলা উৎসৱ অনুষ্ঠিত হৈছে। সোণাপুৰৰ ৰসাল আৰু সুমিষ্ট কমলাক বিশ্বমুখী কৰাৰ প্ৰচেষ্টাৰে অসম-মেঘালয় সীমান্তৱৰ্তী দন্দুৰাইত আজিৰে পৰা এই উৎসৱৰ আয়োজন কৰা হৈছে। পাহাৰীয়া অঞ্চলটোৰ বিস্তীৰ্ণ এলেকাত কৰা কমলা খেতি প্ৰত্যক্ষ কৰিবলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লোক অঞ্চলটোত উপস্থিত হৈছে। অসম মেঘালয় সীমান্তৱৰ্তী বৃহত্তৰ আমপ্ৰী অঞ্চলৰ বান্দৰগোগ, মাগুৰচিলা, দন্দুৰাই, মাৰকাং, কলংপুৰ, কাচমলাকে ধৰি কেইবাখনো গাওঁ প্ৰচুৰ পৰিমাণে এই সময়ছোৱাত কমলা উৎপাদন হয়। এটা স্থানীয় সংস্থাই দেশী বিদেশী পৰ্যটকক আকৰ্ষণৰ বাবে আয়োজন কৰা এই উৎসৱৰ প্ৰথম দিনাই অগণন লোকৰ সমাগম হৈছে। উৎসৱৰ সৈতে সংগতি ৰাখি বস্ত্ৰ আৰু খাদ্য মেলাও অনুষ্ঠিত হৈছে।

০০০

পলিঅ’ ৰোগ নিৰ্মূলৰ উদ্দেশ্যেৰে কাইলৈ অসমৰ ২৭ খন নিৰ্বাচিত জিলাত উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **গোলাঘাট** জিলাত এই উদ্দেশ্যেৰে কাইলৈ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ মাতৃ আৰু শিশু চিকিৎসা বিভাগত পুৱাৰে পৰা প্ৰতিষেধক প্ৰদান কৰা হ’ব। ইয়াৰ লগতে জিলাখনৰ মুঠ ৮৮৯টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰত ডেৰ লাখতকৈও অধিক শিশুক পলিঅ’ প্ৰতিষেধক প্ৰদান কৰা হ’ব।

একেদৰে **চৰাইদেউ** জিলাত ৬০ হাজাৰৰ অধিক শিশুক ৮ৰ পৰা ১০ ডিচেম্বৰৰ ভিতৰত পলিঅ’ প্ৰতিষেধক প্ৰদান কৰা হ’ব। এই অভিযান সফল কৰিবলৈ প্ৰতিটো বিভাগক সহযোগিতা আগবঢ়াবলৈ চৰাইদেউ স্বাস্থ্য বিভাগে আহ্বান জনাইছে। জিলাখনত  উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান দিৱসৰ কাৰ্যসূচীৰ বিষয়ে জিলা প্ৰতিষেধক বিষয়া ডাঃ সুনীল কুমাৰ হাজঙে আজি আমাৰ চৰাইদেউৰ সংবাদদাতাৰ আগত এনেদৰে কয়-

**বাইট (ডাঃ সুনীল কুমাৰ হাজং)**

০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা আঠ বাজি দুই মিনিটত বনভোজৰ বতৰ - হাঁহি-ধেমালি, পৰিবেশ আৰু ইয়াৰ প্ৰভাৱ শীৰ্ষক এটা অনুষ্ঠানৰ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ লগতে অৰুণিমা গোস্বামী আৰু পৰিস্মিতা দিহিঙীয়া এই অনুষ্ঠানত উপস্থিত থাকিব। টেলিফোনযোগে আমাৰ সংবাদদাতা আৰু কিছু সচেতন ব্যক্তি এই অনুষ্ঠানত সংযোজিত হ’ব।

০০০

সমাপ্ত